# মহাবিদ্যালয় সঙ্গীত

অগ্নিকন্যা আমি ঊষাৰ নগৰী এই শোণিতপুৰৰ
ভাৰতৰত্ন লোকপ্ৰিয় আমাৰেই ভূষণ শিৰৰ
অজ্ঞানতাৰ ঘন তিমিৰ নাশি
প্ৰজ্ঞাৰ জ্যোতিৰে জগত জিনিম।

লক্ষ্য আমাৰ ন-স্বদেশ গঢ়াৰ
সপোন আমাৰ নীলা আকাশ চোৱাৰ
জোনাকী বাটেৰে নিতে বাট বুলি
বোৱামেই ধৰালৈ প্ৰগতিৰ জোৱাৰ।

জাতি-ভাষা-ধৰ্মৰ প্ৰাচীৰ ভাঙি
সত্য সুন্দৰৰ সেতু গঢ়ি
সুউচ্চ পাহাৰৰ শৃংগ বগাম
সমস্বৰে গাম একতাৰ গান।

গীতৰ কথা - হেমন্ত কুমাৰ বৰুৱা
সুৰ - জ্যোতিৰঞ্জন নাথ